জাতিৰ সেৱাত উৎসৰ্গিত ৬২ বছৰ

দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

...২ সংখ্যা, ৮ আহিন, শনিবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 52। DIBRUGARH, SATURDAY, SEPTEMBER 26, 2026। পৃষ্ঠা ১৬ (Pages...

কানৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস উদ্‌যাপন

‘চৰক-সুশ্ৰুতৰ চিকিৎসা জ্ঞান বিশ্বজুৰি প্ৰসাৰিত হৈছিল’

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ ‘মহৰ্ষি চৰক আৰু মহৰ্ষি সুশ্ৰুতৰ চিকিৎসা জ্ঞান কেৱল প্ৰাচীন ভাৰতৰ মাজতে সীমাবদ্ধ নাছিল, শতিকাজুৰি অনুবাদ, বাণিজ্য আৰু সাংস্কৃতিক আদান-প্ৰদানৰ জৰিয়তে এই জ্ঞান সমগ্ৰ বিশ্বতে বিয়পি পৰিছিল। বৰ্তমান সময়ত আধুনিক চিকিৎসা বিজ্ঞানৰ ইতিহাস, প্লাষ্টিক ছাৰ্জাৰী, ভেষজ ঔষধ আৰু সংহত চিকিৎসা পদ্ধতিৰ ক্ষেত্ৰতো বিশ্বৰ বিভিন্ন দেশে তেওঁলোকৰ অমূল্য অৱদান গভীৰভাৱে অধ্যয়ন, গ্ৰহণ আৰু প্ৰয়োগ কৰি আহিছে।’ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ জনজাতি গৱেষণা উন্নয়ন কেন্দ্ৰ, ৰাষ্ট্ৰীয় আয়ুস মিছন, অসম চৰকাৰ আৰু জিলা স্বাস্থ্য সমিতি, ডিব্ৰুগড়ৰ যৌথ উদ্যোগত কালি মহাবিদ্যালয়খনত আয়োজিত ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱসৰ অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰি অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই এইদৰে কয়। কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ডঃ জ্যোতিপ্ৰসাদ ফুকনে আঁত ধৰা অনুষ্ঠানটিত অধ্যক্ষগৰাকীয়ে আয়ুৰ্বেদৰ ঐতিহ্য আৰু বৈজ্ঞানিক গুৰুত্বৰ বিষয়ে আলোকপাত কৰি কয় যে ভাৰতীয় চিকিৎসা পৰম্পৰাৰ এক সুদীৰ্ঘ আৰু সমৃদ্ধ ইতিহাস আছে। চৰক আৰু সুশ্ৰুতৰ দৰে মহান চিকিৎসাবিদে আগবঢ়াই যোৱা জ্ঞান-পৰম্পৰাই কেৱল ভাৰতীয় চিকিৎসা বিজ্ঞানকে সমৃদ্ধ কৰা নাই, বিশ্বৰ চিকিৎসা-চিন্তাধাৰাতো ইয়াৰ গভীৰ প্ৰভাৱ পৰিছে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে বক্তৃতা প্ৰদান কৰে ডিব্ৰুগড় জিলাৰ আয়ুস মিছনৰ ন’ডেল বিষয়া তথা আয়ুৰ্বেদ চিকিৎসক ডাঃ শৈলেশ পূজাৰীয়ে। তেওঁ আয়ুৰ্বেদৰ মূল দৰ্শন, সুস্থ জীৱন-যাপনৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা আৰু বৰ্তমান সময়ত আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিৰ প্ৰাসংগিকতাৰ বিষয়ে বিস্তৃতভাৱে বক্তব্য আগবঢ়ায়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ নিৰ্মালি পেগু, অধ্যাপক ডঃ বিৰাজ দত্ত, অধ্যাপক ডঃ লামখ’লাল ডুংগেল, অধ্যাপক শিৱনাথ চুতীয়াৰ লগতে মহাবিদ্যালয়খনৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় শৈক্ষিক পৰিষদৰ সদস্য সচিব ডঃ জ্যোতিপ্ৰসাদ ফুকনে।

হাৰমতীত অৰু...
চৈধ্যটা চোৰাং গৰু জ...

দৈনিক অসমৰ প্ৰতিনিধি

বান্দৰদেৱা, ২৫ ছেপ্টেম্বৰ ঃ অবৈধ চোৰাং ব্যৱসায়ীয়ে ছানি ধৰিছে লখি...
জিলাৰ অসম-অৰুণাচল সীমাঞ্চল। কালি নিশা নৈশ তহলত থকা হাৰমতী আ...
চকীৰ আৰক্ষীয়ে হাৰমতী মাজমজিয়াত এখন বাহন তালাচী লওঁতে ওলাই প...
১৪টাকৈ চোৰাং গৰু। এ এছ ০৭ বিচি ৮৭৪২ নম্বৰৰ মাল কঢ়িওৱা এখন চাৰিচ...
বাহনত চৈধ্যটা গৰু অৰুণাচললৈ বুলি লৈ আহোঁতে হাৰমতীত আৰক্ষীৰ জ...
পৰে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, দলহাট ভৰলুৱাৰ ইছমাইল আলীৰ...
অংকুৰ আলী (২৭)-এ উক্ত বাহনখনত সাতটা গৰু আৰু সাতজনী গাইগৰুসহ...
চৈধ্যটা গৰু অৰুণাচললৈ আনিছিল। ইতিমধ্যে হাৰমতী আৰক্ষীয়ে ধৃত অ...
আলীক তদন্তৰ বাবে সোধা-পোছা অব্যাহত ৰাখিছে। শেহতীয়াভাৱে ৰা...
সীমান্তৱৰ্তী অঞ্চলত অব্যাহত থকা গৰুৰ চোৰাং সৰবৰাহৰ বিৰুদ্ধে আৰক্ষী...
তৎপৰতা অব্যাহত ৰাখিছে যদিও অঞ্চলসমূহত চোৰাং সৰবৰাহকাৰীয়ে নিতৌ...
পন্থা অৱলম্বন কৰা দেখা গৈছে। এনে পৰিস্থিতিত আৰক্ষী গৰুৰ চোৰাং সৰব...
ৰোধৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ’ব লক্ষণীয়।

দেৰগাঁৱত শংকৰদেৱ...

যেতিয়ালৈকে কীৰ্ত্তন, দশম, ঘোষ...

দৈনিক অসমৰ প্ৰতিনিধি

দেৰগাঁও, ২৫ ছেপ্টেম্বৰ ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পূব গোলাঘাট আঞ্চলিক শাখাৰ উদ্যোগত ফেটাগাঁও প্ৰাথমিক শাখাৰ আতিথ্যত ২০, ২১ আৰু ২২ ছেপ্টেম্বৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ ৫৭৮সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ আৰু ফেটাগাঁও প্ৰাথমিক শাখাৰ হীৰক জয়ন্তী উৎসৱ উদ্‌যাপন কৰা হয়। এই উপলক্ষে প্ৰথম দিনা পুৱা পৰিৱেশ নিকাকৰণৰ পাছতে শিশু, যুৱক-যুৱতী, আই-মাতৃসকলৰ মাজত ভিন্ন শাখাত কবিতা আবৃত্তি, প্ৰাৰ্থনা, গুৰুভটিমা আদি বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাসমূহত বিচাৰকৰ আসন অলংকৃত কৰে লোক-সংস্কৃতিৰ সাধক মুনিন গগৈ আৰু শিক্ষয়িত্ৰী ৰিতা শইকীয়া ৰৰাই। দ্বিতীয় দিনা প্ৰাতঃপ্ৰসংগ, সুধাকণ্ঠ ভূপেন

হাজৰিকা আৰু প্ৰাণ...
ৰাজহুৱা শ্ৰদ্ধাঞ্জলি, গ...
আৰু ধৰ্মধ্বজা উত্তো...
ৰহণীয়া সাংস্কৃতিক...
সমান্তৰালভাৱে নামঘ...
দুপৰীয়া শ্ৰীমন্ত শংক...
চন্দ্ৰ হাজৰিকাৰ সভা...
সভাখন উদ্বোধন কৰে...
সম্পাদক পবিত্ৰ না...
দেৱাঞ্জন বৰা নিৰ্দিষ্ট...
সাৰগৰ্ভ ভাষণ প্ৰদান...
বিক্ৰমজ্যোতি দত্তৰ স...
স্মৃতিগ্ৰন্থ ‘হীৰকজ্যো...
মহাবিদ্যালয়ৰ অ...
শইকীয়াই। ধ্ৰুৱজ্যো...

...জ ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃ...
...উৎপাদন ক্ষমতা তিনিগুণ...
প্ৰথমখন জি-২০ দেশ হৈ...
১৫০ ...
ভাৰতৰ সে...
...ট্ৰ’-কেমিকেলছ লি...
পুৱা ১১ বজা...